
# ইতিহাস খণ্ড
# আমাৰ অতীত আৰু ঐতিহ্য

## আগকথা



সমাজ বিজ্ঞানৰ **'আমাৰ অতীত আৰু ঐতিহ্য'** এই খণ্ডত ভাৰতবৰ্ষত মৌৰ্য যুগৰ পৰৱৰ্তী কালছোৱাত বিভিন্ন ৰাজবংশৰ উত্থান-পতন আৰু পশ্চিমৰ পৰা অহা তুৰ্কী-আফগান আৰু মোগল বিজেতাসকলে দেশখনত চলোৱা শাসনৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ উপৰি বিশেষভাৱে প্ৰাক্ ঐতিহাসিক অসমৰো এটি চমু বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে।

আমি সকলোৱে জানো যে, বৰ্তমানৰ সময়ছোৱাক ভালদৰে বুজিবৰ বাবে অতীতৰ বিষয়ে আমাৰ এটা স্পষ্ট ধাৰণা থাকিব লাগিব। অন্যথা, আমাৰ বাবে ভৱিষ্যত সদায়ে অনিশ্চিত হৈ থাকিব। এই তত্বক সাৰোগত কৰিয়েই প্ৰাথমিক স্তৰতে সাধাৰণভাৱে ইতিহাস অধ্যয়নৰ প্ৰয়োজন। উল্লেখিত কথাৰ লগত সংগতি ৰাখিয়েই সমাজ বিজ্ঞানৰ দ্বিতীয় ভাগত প্ৰাচীন ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ উত্তৰণ তথা ক্ৰমবিকাশ সম্বন্ধে এক চমু আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰোপৰি বিভিন্ন সময়ত বিভিন্ন ৰাজশক্তিয়ে ভাৰতবৰ্ষৰ সামাজিক জীৱনলৈ আগবঢ়োৱা অৱদানৰ সম্পৰ্কেও থূলমূল আভাস দাঙি ধৰা হৈছে।

আশা কৰা হৈছে যে, ইতিহাসৰ এই খণ্ড অধ্যয়নৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা অৰ্হতাসমূহ আয়ত্ব কৰিব পাৰিব—


- প্ৰাচীন ভাৰতৰ কোনবোৰ ঠাইত ৰাজশক্তিসমূহে ৰাজ্য স্থাপন কৰিছিল আৰু কেনেদৰে এই শক্তিসমূহে শাসন কাৰ্য চলাইছিল সেই বিষয়ে জানিব।
- এই ৰাজশক্তিসমূহৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে ধাৰণা লাভ কৰিব।
- প্ৰাক্ ঐতিহাসিক অসমৰ লগত পৰিচয় হ'ব।
- তুৰ্কী-আফগানসকলৰ ভাৰত আগমনৰ বিষয়ে জানিব।
- মোগলসকলৰ ভাৰত আগমনৰ বিষয়ে জনাৰ লগতে ভাৰতৰ দেশীয় ৰাজ্যবোৰৰ লগত তেওঁলোকৰ ৰাজনৈতিক সম্পৰ্কৰ বিষয়ে আভাস পাব।
- ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ বিকাশত মোগলসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে অৱগত হ'ব।

পাঠঃ ১০

# মৌৰ্য যুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ

**মূল অৰ্হতা ঃ**

- মৌৰ্য যুগৰ পৰৱৰ্তী কালছোৱাত ভাৰতবৰ্ষৰ ৰাজনৈতিক পটভূমিৰ এটি সম্যক আভাস পাব।
- দেশীয় সৰু-বৰ ৰাজ্যৰ উত্থান আৰু বিদেশী শক্তিৰ আগমনৰ বিষয়ে অৱগত হ'ব।
- দক্ষিণ ভাৰতত সাতবাহন ৰাজ্যৰ আৰ্বিভাৱ আৰু ইতিহাসত এই ৰাজ্যৰ গুৰুত্ব সম্পৰ্কে জানিব।
- ইন্দো-গ্ৰীক আৰু কুষাণসকলৰ সামাজিক ও সাংস্কৃতিক দিশৰ বৰঙণিৰ বিষয়ে জ্ঞান লাভ কৰিব।
- এই কালছোৱাৰ সাধাৰণ প্ৰজাৰ জীৱন-ধাৰণ প্ৰণালী সম্পৰ্কে জানিব।



*মানচিত্ৰ ১০.১* **মৌৰ্যৰ পৰৱৰ্তী ভাৰতবৰ্ষ**

তোমালোকে আগৰ শ্ৰেণীৰ পাঠ্যপুথিত কেনেকৈ শক্তিশালী মৌৰ্য সাম্ৰাজ্যৰ পতন ঘটিছিল সেই সম্পৰ্কে এটা ধাৰণা লাভ কৰিছা।

এই অধ্যায়ত আমি মৌৰ্য যুগৰ পৰৱৰ্তী কালছোৱাৰ বিষয়ে আলোচনা কৰিম। মৌৰ্যসকলৰ পতনৰ পিছত ভাৰতবৰ্ষত ভালেমান সৰু-বৰ ৰাজ্যৰ উত্থান ঘটিছিল। শুঙ্গবংশই মগধত, সাতবাহনসকলে দক্ষিণ ভাৰতত আৰু চেদীবংশই কলিঙ্গত ৰাজ্য স্থাপন কৰিছিল। আনহাতে, ইন্দো-গ্ৰীক, শক, পাৰ্থিয়ান, কুষাণ আদি বিদেশী শক্তিয়েও সেই সময়ত ভাৰতবৰ্ষলৈ আহি বিভিন্ন স্থানত ৰাজত্ব কৰিছিল। এইদৰে দেশী-বিদেশী বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ে ভাৰতীয় সমাজ আৰু সাংস্কৃতিক জীৱনৰ ওপৰত প্ৰভাৱ পেলাইছিল। ওপৰত দিয়া মানচিত্ৰখন ভালকৈ লক্ষ্য কৰা আৰু দেশীয় আৰু বিদেশী শক্তিসমূহে গঢ়ি তোলা ৰাজ্যসমূহৰ অৱস্থিতি চিনাক্ত কৰা।

## দেশীয় ৰাজ্যৰ উত্থান ঃ

মৌৰ্যবংশৰ শেষ ৰজা বৃহদ্ৰথক হত্যা কৰি **পুষ্যমিত্ৰ** শুঙ্গই মগধত **শুঙ্গবংশ** প্ৰতিষ্ঠা কৰে। এই বংশই প্ৰায় ১১২ বছৰ ৰাজত্ব কৰিছিল। শুঙ্গ ৰজাসকল হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। শুঙ্গসকলৰ পিছত **কাম্ব** নামৰ আন এটা বংশইও কিছুদিন উত্তৰ ভাৰতত ৰাজত্ব কৰিছিল। উল্লেখ আছে যে সাতবাহনসকলৰ আক্ৰমণত এই বংশৰ অন্ত পৰে।

সেই সময়তেই পূৰ্বঘাট আৰু বঙ্গোপসাগৰৰ মাজত অৱস্থিত কলিঙ্গ ৰাজ্যত (বৰ্তমানৰ উৰিষ্যা) খ্ৰীঃপূঃ প্ৰথম শতিকাৰ শেষৰফালে মহামেঘবাহনে **চেদী** বা **চেত** ৰাজবংশ প্ৰতিষ্ঠা কৰে। তেওঁলোকে দীৰ্ঘকাল ৰাজত্ব কৰা নাছিল যদিও কলিঙ্গক ভাৰতৰ এক অন্যতম শক্তিশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠিত কৰিছিল।

**জানি লওঁ আহা ঃ**

পুষ্যমিত্ৰ শুঙ্গই মগধত শাসন কৰা সময়ত বিখ্যাত বৈয়াকৰণিক পতঞ্জলিয়ে সংস্কৃত ব্যাকৰণ **'মহাভাষ্য'** ৰচনা কৰিছিল।

এতিয়া তোমালোকক যিটো ৰাজবংশৰ বিষয়ে আভাস দিবলৈ ওলাইছো, সেইটো ৰাজবংশই প্ৰায় তিনিশ বছৰ কাল দাক্ষিণাত্যত ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰিছিল। এই ৰাজবংশক সাতবাহন বংশ নামেৰে জনা যায়। সাতবাহনসকলক ইতিহাসত **'অন্ধ্ৰ'** বুলিও কোৱা হয়। ইয়াৰ পৰা বহুতে অনুমান কৰে যে সাতবাহনসকল বৰ্তমানৰ অন্ধ্ৰ প্ৰদেশৰ অধিবাসী আছিল। এই ৰাজবংশৰ প্ৰতিষ্ঠাপক আছিল **সিমুক**। সাতবাহন ৰাজ্যত দুই ধৰণৰ শাসন-ব্যৱস্থা আছিল। এক অংশৰ শাসনকাৰ্য পৰিচালনা কৰিছিল ৰজাৰ অনুগতসকলে আৰু বাকী অংশত ৰজাই প্ৰত্যক্ষভাৱে শাসন কৰিছিল। ৰাজ্যৰ কৃষি অৰ্থনীতি শক্তিশালী আছিল। সমসাময়িক বিভিন্ন উৎসৰ পৰা প্ৰচুৰ গো-দান আৰু ভূমিদান ব্যৱস্থাৰ বিষয়ে জানিব পাৰি। কৃষিৰ উপৰি ধাতু, পাথৰ আৰু মৃৎ শিল্পক মানুহে জীৱিকা ৰূপে গ্ৰহণ কৰিছিল। সাতবাহনসকলৰ ৰাজত্ব কালত ৰোমান সাম্ৰাজ্য আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ লগত ভাৰতৰ বাণিজ্যিক সম্পৰ্ক স্থাপন হৈছিল।

সাতবাহনসকলৰ প্ৰধান সামাজিক বৈশিষ্ট্য আছিল যৌথ পৰিয়াল। পিতৃ-প্ৰধান সমাজ হ'লেও নাৰীৰ ভূমিকাও গুৰুত্বপূৰ্ণ আছিল। অৱশ্যে এই সুবিধা সম্ভ্ৰান্ত আৰু ৰাজ-পৰিয়ালৰ মহিলাসকলৰ মাজতেই সীমাবদ্ধ আছিল।

ভাৰতৰ সাংস্কৃতিক জগতলৈও সাতবাহনসকলে যথেষ্ট বৰঙণি আগবঢ়াইছিল। সাহিত্যৰ ক্ষেত্ৰত এই যুগৰ দুখন বিখ্যাত গ্ৰন্থ আছিল সংস্কৃত ভাষাত ৰচিত **কাতন্ত্ৰ** আৰু প্ৰাকৃত ভাষাত ৰচিত **বৃহৎকথা**।

স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰতো এই যুগৰ শিল্পীসকলে অজস্ৰ কীৰ্তিৰ সাক্ষ্য ৰাখি থৈ গৈছে। তোমালোকে সাঁচীৰ স্তূপ আৰু অমৰাৱতীৰ ভাস্কৰ্যৰ বিষয়ে শুনিছানে? এই স্তূপ আৰু ভাস্কৰ্য দুটা সাতবাহনসকলৰ শিল্প-সাধনাৰ উল্লেখযোগ্য নিদৰ্শন।

শেষত জানি থোৱা যে— সাতবাহন ৰাজ্যখন উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ যোগসূত্ৰ স্বৰূপ আছিল আৰু দক্ষিণ ভাৰতত এই ৰাজ্যখনে ৰাজনৈতিক একতা স্থাপন কৰিবলৈ সমৰ্থ হৈছিল।

**জানি থোৱা ঃ**

- নাচিক প্ৰশস্তি (ধৰ্মীয় লিপি)ৰ পৰা জনা যায় যে— মহিষী নাগনিকাই বৈদিক যাগ-যজ্ঞ অনুষ্ঠিত কৰাৰ উপৰি স্বামীৰ মৃত্যুৰ পিছত দেশৰ শাসনভাৰো গ্ৰহণ কৰিছিল।
- ভূপালৰ আটাইতকৈ প্ৰসিদ্ধ স্থাপত্য-ভাস্কৰ্যবোৰ সাঁচিৰ কানাখেৰা নামৰ এখন ক্ষুদ্ৰ গাঁৱত অৱস্থিত।

**ক্ৰিয়াকলাপ ঃ**

- মৌৰ্য সকলৰ পাছত মগধত ৰাজত্ব কৰা ৰাজবংশ কেইটাৰ নাম ক্ৰমানুসাৰে লিখা।
- সাতবাহনসকলে ক'ত ৰাজ্য স্থাপন কৰিছিল?
- কলিঙ্গ ৰাজ্য বৰ্তমান ক'ত অৱস্থিত?

তোমালোকে এইবাৰ ১০.১ মানচিত্ৰখনৰ একেবাৰে দক্ষিণ অংশলৈ মন কৰা। তাত চোল, চেৰা আৰু পাণ্ড্য বুলি লিখা তিনিটা নাম দেখা পাইছানে? আমাৰ আলোচিত সময়ৰ এই তিনিখন দক্ষিণ ভাৰতৰ উল্লেখযোগ্য ৰাজ্য আছিল। চোল, চেৰা, পাণ্ড্যসকলে প্ৰায় ৪০০ বছৰ ধৰি ৰাজত্ব কৰিছিল। ওচৰা-উচৰিকৈ থকা এই তিনিওখন ৰাজ্যক একেলগে **ত্ৰিৰাজ্য**ও বোলা হৈছিল।

ইয়াৰ উপৰি আৰু বহুতো সৰু-বৰ ৰাজ্য আছিল যাৰ বিষয়ে আমি মুদ্ৰা, লিপি আৰু গ্ৰন্থৰ পৰা জানিব পাৰো। সেই সময়ত বিকাশ লাভ কৰা সংগম সাহিত্যয়ো এই দিশত যথেষ্ট তথ্যৰ সন্ধান দিয়ে। সেই সময়ত দক্ষিণ ভাৰতত ৰাজপৃষ্ঠপোষকতাত যি তামিল কবি সন্মিলন অনুষ্ঠিত হৈছিল সেয়াই আছিল **সংগম** আৰু এই যুগৰ সাহিত্যকে **সংগম সাহিত্য** বুলি জনা যায়। সংগম সাহিত্য প্ৰধানকৈ বৰ্ণনাত্মক আৰু নীতিশিক্ষামূলক। সংগম সাহিত্যৰ পৰা সেই সময়ৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক বিৱৰ্তনৰ বিষয়ে বিতংভাৱে জানিব পাৰি। সংগম সাহিত্যত মহিলা কবিসকলৰ কবিতাও অন্তৰ্ভুক্ত কৰা হৈছিল। সংগম সভাত কবি, সাহিত্যিক, পণ্ডিতসকলৰ লগতে **চাৰণ** নামৰ ৰজাৰ গুণ-গৰিমা প্ৰচাৰ কৰা ব্যক্তিসকলেও অংশ গ্ৰহণ কৰিছিল।

**জানি থোৱা ঃ**

- চোল ৰাজ্যৰ ৰাজধানী আছিল উৰেয়ুৰ।
- চেৰা ৰাজ্যত এটা শক্তিশালী নৌবাহিনী আছিল।
- পাণ্ড্য ৰাজ্যত এগৰাকী মহিলা শাসনকৰ্তা আছিল বুলি জনা যায়। মুকুতাৰ বাবেও এই ৰাজ্যখন বিখ্যাত আছিল।

**ক্ৰিয়াকলাপ ঃ**

- সাহিত্যত নীতি শিক্ষাৰ গুৰুত্ব বুলিলে কি বুজা? ৫০ টা শব্দৰ ভিতৰত প্ৰকাশ কৰা।
- চোল, চেৰা আৰু পাণ্ড্য ৰাজ্য বৰ্তমান কোনকেইখন দক্ষিণ ভাৰতৰ ৰাজ্যই সামৰি লৈছে চিনাক্ত কৰা।

## ইন্দো-গ্ৰীকসকল ঃ

মৌৰ্যসকলৰ পৰৱৰ্তী যুগত ভাৰতবৰ্ষলৈ কেনেকৈ বিদেশী শক্তিৰ আগমন ঘটিছিল? সেই সময়ত বিদেশী আক্ৰমণ প্ৰতিহত কৰিব পৰা ক্ষমতা ভাৰতৰ নাছিল নেকি? সেই কথা অৱশ্যেই সত্য যে এই কালছোৱাত উত্তৰ-পশ্চিম ভাৰতত এক গভীৰ ৰাজনৈতিক সংকটে দেখা দিছিল। কিন্তু, তাৰ লগে লগে বহিঃৰাষ্ট্ৰৰ লগত প্ৰাচীন ভাৰতৰ যি সাংস্কৃতিক আদান-প্ৰদান চলিছিল সেইটোৱেও বিদেশী শক্তিক ভাৰতৰ প্ৰতি আকৰ্ষিত কৰিছিল। এইদৰেই ইন্দো-গ্ৰীক, শক, পাৰ্থিয়ান আৰু কুষানসকলে ভাৰতৰ উত্তৰ-পশ্চিম দিশেদি আমাৰ দেশত প্ৰৱেশ কৰিছিল। ইন্দো-গ্ৰীকসকলৰ বিখ্যাত ৰজাজনৰ নাম আছিল **মিনাণ্ডাৰ** বা **মিলিন্দ**। মিনাণ্ডাৰে বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল আৰু বহুতো **চৈত** আৰু **বৌদ্ধবিহাৰ** নিৰ্মাণ কৰিছিল। গ্ৰীকসকলে ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ হিন্দু আৰু বৌদ্ধ ধৰ্ম, দুয়োটাই গ্ৰহণ কৰিছিল। এওঁলোকৰ সাংস্কৃতিক জীৱনৰ কেতবোৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যই ভাৰতীয় সমাজৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল।

**জানি থওঁ আহা ঃ**

- চৈত ঃ বৌদ্ধ কলাকৃষ্টিৰে সমৃদ্ধ গুহাসমূহক চৈত বোলা হয়।
- স্তূপ ঃ বৌদ্ধ স্মাৰকসমূহৰ ওপৰত নিৰ্মাণ কৰা গাথঁনিসমূহক স্তূপ বোলা হয়।

## ভাৰতীয় সংস্কৃতিলৈ ইন্দো-গ্ৰীকসকলৰ অৱদান ঃ

ভাৰতীয় লোকসকলে গ্ৰীকসকলৰ পৰা জ্যোতিষ শাস্ত্ৰ, মুদ্ৰা আৰু শিল্প কলাৰ জ্ঞান লাভ কৰিছিল। ইন্দো-

গ্ৰীকসকলৰ প্ৰভাৱৰ ফলত ভাৰতবৰ্ষত গান্ধাৰ শিল্পকলাৰ বিকাশ ঘটে। এই শিল্প-কলা আছিল গ্ৰীচদেশীয় আৰু ভাৰতীয় আৰ্হিৰ অপূৰ্ব সমাহাৰ। গান্ধাৰ শিল্পকলাৰ মূল বিষয়বস্তু আছিল বৌদ্ধধৰ্ম। এই সময়তে মথুৰা শিল্পকলা বুলি স্থানীয় শিল্পকলা এটিয়েও বিকাশ লাভ কৰিছিল। এই শিল্পৰো মূল বিষয়বস্তু আছিল বৌদ্ধধৰ্ম।


(ক) মথুৰা শিল্প


(খ) গান্ধাৰ শিল্প

গ্ৰীকসকলৰ ৰাজপৃষ্ঠপোষকতাত স্থানীয় ভাষাই বিশেষ সমৃদ্ধি লাভ কৰিছিল। আকৌ সংস্কৃত সাহিত্যতো গ্ৰীক প্ৰভাৱ মন কৰিবলগীয়া। সংস্কৃত নাটকত পৰ্দা বা যৱনিকাৰ ব্যৱহাৰ **'যৱন'** শব্দটোৰ পৰা অহা বুলি অনুমান কৰা হয়। আনহাতে, মুদ্ৰাৰ ক্ষেত্ৰতো গ্ৰীকসকলৰ প্ৰভাৱ নুই কৰিব নোৱাৰি।

এইদৰে দিগ্বিজয়ৰ লগতে ইন্দো-গ্ৰীকসকলে সামাজিক সমন্বয় আৰু সাংস্কৃতিক অৱদানৰ যোগেদি ভাৰতবৰ্ষৰ মাটিক আপোন কৰি ভাৰতীয় হৈ পৰিছিল।

খ্ৰীঃপূঃ প্ৰথম শতিকাৰ প্ৰথম ভাগত পহ্লৱসকলে ভাৰতবৰ্ষ আৰু ইয়াৰ উত্তৰ-পশ্চিম অঞ্চলত আধিপত্য বিস্তাৰৰ চেষ্টা চলাইছিল। ৰাজনৈতিক পৰিৱৰ্তনৰ উপৰি ভাৰতীয় সংস্কৃতিৰ বিকাশ আৰু বিস্তৃতিত শক-পহ্লৱ যুগে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

## কুষাণসকল ঃ

তোমালোকে কাষৰ ছবিখনত মূৰবিহীন এটি মূৰ্তি দেখিছা। এইটো কুষাণ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা **কণিষ্কৰ** প্ৰতিমূৰ্তি আছিল বুলি ধাৰণা কৰা হয়। এই কুষাণসকল আছিল এটি বিদেশী জাতি। খ্ৰীপূঃ দ্বিতীয় শতিকাত শক-পহ্লৱসকলক পৰাভূত কৰি কুষাণসকলে প্ৰথমতে ভাৰতৰ উত্তৰ-পশ্চিম অংশত আধিপত্য বিস্তাৰ কৰে। ইয়াৰ পিছত পূব ভাৰতৰো এক বিস্তীৰ্ণ অঞ্চল অধিকাৰ কৰি শেষত এক গুৰুত্বপূৰ্ণ ৰাজশক্তিত পৰিণত হৈছিল। কুষাণসকল বিদেশী আছিল যদিও কালক্ৰমত এই দেশৰ সভ্যতা-সংস্কৃতি গ্ৰহণ কৰি ভাৰতীয়সকলৰ লগত একাত্ম হৈ যায়। কুষাণ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা কণিষ্ক এজন সাম্ৰাজ্য বিজেতা আছিল। ইয়াৰ উপৰি সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে ভাৰতৰ ইতিহাসত কণিষ্কই এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। অশ্বঘোষ, নাগাৰ্জুন, বসুমিত্ৰ আৰু চৰক নামৰ বিদগ্ধ পণ্ডিতসকলে কণিষ্কৰ ৰাজসভা অলংকৃত কৰিছিল। এইযুগৰ **চৰক সংহিতা** চিকিৎসা বিজ্ঞানৰ এখন উল্লেখযোগ্য পুথি।


মূৰ বিহীন কণিষ্কৰ প্ৰতিমূৰ্তি

### জানি থওঁ আহা

- গান্ধাৰ শিল্পকলাৰ মাজেদিয়েই প্ৰথম বুদ্ধদেৱৰ মূৰ্তি খোদিত হয়। ইয়াৰ আগতে বুদ্ধদেৱৰ চৰণ চিহ্ন বা বোধিবৃক্ষ আদিহে খোদিত কৰা হৈছিল।
- শকসকলৰ শ্ৰেষ্ঠ ৰজা আছিল ৰুদ্ৰদমন আৰু পহ্লৱ বা পাৰ্থিয়ানসকলৰ শ্ৰেষ্ঠ ৰজা আছিল গণ্ডোফৰ্ণিছ।

পতঞ্জলিৰ **'মহাভাষ্য'** কিতাপখন শব্দ, ভাষা আৰু ব্যাকৰণৰ এখন মূল্যৱান গ্ৰন্থ। সাজ-পোছাকৰ ক্ষেত্ৰতো ভাৰতীয়সকলে গ্ৰীকসকলক অনুকৰণ কৰিছিল।


ইন্দো-গ্ৰীক মুদ্ৰা


কুষাণ মুদ্ৰা


সাতবাহন মুদ্ৰা


শক মুদ্ৰা

আমি ইতিমধ্যে গান্ধাৰ শিল্পৰ বিষয়ে আলোচনা কৰি আহিছোহঁক। গ্ৰীক, ৰোমান আৰু বৌদ্ধ শিল্পৰ সংমিশ্ৰণত সম্পূৰ্ণ ভাৰতীয় শৈলীত গঢ় লৈ উঠা গান্ধাৰ শিল্পই কণিষ্কৰো দৃষ্টি আকৰ্ষণ কৰিছিল। কণিষ্কৰ ৰাজত্ব কালত মথুৰা আৰু অমৰাৱতীৰ শিল্পকলায়ো উন্নতিৰ চৰম সীমাত উপনীত হৈছিল। কণিষ্কই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল আৰু এই ধৰ্মৰ বহুল প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁৰ দিনতে বৌদ্ধ ধৰ্ম **হীনযান** আৰু **মহাযান** নামৰ দুটা ভাগত বিভক্ত হয়। বৌদ্ধধৰ্ম গ্ৰহণ কৰিলেও কণিষ্কই অন্যান্য ধৰ্মৰ প্ৰতিও শ্ৰদ্ধাশীল আছিল।

অৰ্থনৈতিক ক্ষেত্ৰতো কুষাণ যুগ পিচ পৰি থকা নাছিল। আন্তঃ বাণিজ্য আৰু বহিঃ বাণিজ্য উভয় ক্ষেত্ৰতে কণিষ্কৰ যুগে উন্নতিৰ উচ্চ শিখৰ পাইছিল। ভাৰতীয় মচলা, জলকীয়া, চন্দন, হাতী-দাঁত, হীৰা আদি বিদেশলৈ ৰপ্তানি কৰা হৈছিল। আনহাতে, ৰোমান সাম্ৰাজ্যৰ পৰা সোণ আমদানি কৰা হৈছিল। আন্তৰ্জাতিক বাণিজ্যৰ লেনদেন বৃদ্ধি কৰিবৰ বাবে কণিষ্কই সিন্ধু অঞ্চলত উচ্চ পৰ্যায়ৰ ৰূপৰ মুদ্ৰা প্ৰচলন কৰাইছিল।


এইদৰে শৌৰ্য-বীৰ্য, শিল্প-কলা সংস্কৃতিলৈ অৱদান আৰু প্ৰজাবৎসল স্বভাৱৰ বাবে বহু দিনলৈকে সেইকালৰ ভাৰতবাসীৰ মনত কুষাণসকলৰ স্মৃতি সতেজ হৈ আছিল।

## মৌৰ্য যুগৰ পৰৱৰ্তী কালৰ জীৱন ধাৰণ প্ৰণালী ঃ

মৌৰ্য যুগৰ পৰৱৰ্তী সময়ত ৰাজনৈতিক ক্ষেত্ৰত পৰিৱৰ্তন হোৱাৰ দৰেই সাধাৰণ প্ৰজাৰ জীৱন ধাৰণ প্ৰণালীতো বহুত পৰিৱৰ্তন আহিছিল। তাৰ ভিতৰত কৃষি কৰ্মৰ প্ৰসাৰ, নতুন নগৰ গঠন, শিল্প উৎপাদন আৰু বেহা-বেপাৰ আদিৰ ব্যাপক পৰিৱৰ্তনেই উল্লেখনীয়।

সমৃদ্ধিশালী গাঁওবোৰেই অৰ্থনীতি আৰু কলা-সংস্কৃতিৰ মূল ভেটি। গাঁওবোৰৰ অবিহনে ৰজা আৰু ৰাজ্যবোৰৰ অস্তিত্বই নাথাকিলহেঁতেন। গাঁৰৰ সাধাৰণ প্ৰজাসকলে হে কৃষি কৰ্মৰ লগত জড়িত হৈ থাকে। কৃষি কৰ্মৰ বাবে আকৌ বিভিন্ন সঁজুলিৰ প্ৰয়োজন। কাষৰ চিত্ৰখন চাই সেই সময়ত কি কি সঁজুলিৰ ব্যৱহাৰ হৈছিল অনুমান কৰিব পাৰিবাহঁক।

নতুন সঁজুলিৰ ব্যৱহাৰ, উন্নত ৰোপণ পদ্ধতি আৰু জলসিঞ্চনৰ দ্বাৰা শস্যৰ উৎপাদন বৃদ্ধি পাইছিল। নলা, কুঁৱা, পুখুৰী আৰু কৃত্ৰিম জলাশয় আদি জলসিঞ্চনৰ বাবে ব্যৱহাৰ হৈছিল।


কৃষিত ব্যৱহৃত লোৰ সঁজুলি

সেই সময়ত দক্ষিণ আৰু উত্তৰ ভাৰতৰ গাঁওবিলাকত কমেও তিনি শ্ৰেণীৰ মানুহে বাস কৰিছিল। দক্ষিণৰ অঞ্চলৰ সেই তিনি শ্ৰেণীৰ মানুহ হ'ল— জমিদাৰ, কৃষক, শ্ৰমিক বা ভৃত্য। উত্তৰ ভাৰততো তিনি শ্ৰেণীৰ মানুহে বাস কৰিছিল। সেইবোৰ হ'ল— **বংশানুক্ৰমে হোৱা গাঁৱৰ মুখিয়াল, নিজ নিজ কৃষি ভূমি থকা সৰু সৰু স্বাধীন কৃষক আৰু ভূমিহীন শ্ৰমিক।**

ইয়াৰে গাঁৱৰ মুখিয়ালগৰাকী শক্তিশালী জমিদাৰ আছিল। তেওঁ কেতিয়াবা বিচাৰক আৰু শান্তি ৰক্ষকৰ ভূমিকা পালন কৰিছিল। গাঁৱৰ ৰাজহ আদায়ৰ দায়িত্বও তেঁৱেই লাভ কৰিছিল।

প্ৰায়বোৰ গাঁৱতেই কুমাৰ (মৃৎ শিল্পী), কমাৰ (লোহাৰ), বাঢ়ৈ (কাঠ মিস্ত্ৰী), শিপিনী আদি বৃত্তিজীৱি লোকে বাস কৰিছিল। তোমালোকে জাতকৰ নাম শুনিছানে? জাতকৰ গল্পবোৰ সেই যুগৰ সৰ্বসাধাৰণ লোকৰ মাজত প্ৰচলন আছিল। পাছলৈ বৌদ্ধ ভিক্ষুসকলে এইবোৰ লিখি সংৰক্ষণ কৰে।

সেই সময়ৰ নগৰীয়া জীৱন প্ৰণালীৰ বিষয়ে জানিবলৈ হ'লে পৰিব্ৰাজক, নাৱিক সকলৰ লিখনি আৰু খনিকৰসকলৰ ভাস্কৰ্য অধ্যয়ন কৰিব লাগিব। নগৰ, গাঁও আৰু অৰণ্যত বাস কৰা সকলো শ্ৰেণীৰ লোকৰ জীৱনশৈলী খনিকৰসকলে তেওঁলোকৰ ভাস্কৰ্যত ফুটাই তুলিছিল। সেইবোৰ স্তূপ, মন্দিৰ আদিৰ তোৰণ, স্তম্ভ, ৰেলিং আদি সু-সজ্জিত কৰিবলৈ ব্যৱহাৰ কৰিছিল।



সাঁচী স্তূপৰ ভাস্কৰ্য

এই নগৰবোৰৰ প্ৰায় ভাগ ২৫০০ বছৰ আগতে উত্থান হোৱা জনপদবিলাকৰ ৰাজধানী আছিল। ইয়াৰে কিছুমান নগৰ প্ৰাচীৰেৰে আবৃত আছিল। তোমালোকে ইতিমধ্যে মথুৰা নগৰৰ বিষয়ে শুনিছা। এই নগৰখনো প্ৰাচীৰেৰে আবৃত আছিল। উত্তৰ-পশ্চিমৰ পৰা পূবলৈ আৰু উত্তৰৰ পৰা দক্ষিণলৈ যোৱা দুটা প্ৰধান পথৰ মাজত ই অৱস্থিত আছিল। মথুৰা কুষাণসকলৰ ৰাজধানী হোৱাৰ উপৰি হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ কেন্দ্ৰস্থল আছিল। **মথুৰা শিল্পকলা** বুলি জনাজাত এক উৎকৃষ্ট ভাস্কৰ্যৰো ইয়াতেই বিকাশ হৈছিল। ওচৰ-পাজৰৰ কৃষক আৰু পশুপালকসকলে নগৰৰ মানুহৰ বাবে খাদ্যৰ যোগান ধৰিছিল।

**'উত্তৰ ভাৰতীয় ক'লা মৃৎপাত্ৰ'** সেই সময়ৰ শিল্পকলাৰ এটি উৎকৃষ্ট নিদৰ্শন। বস্ত্ৰ শিল্পৰ কেন্দ্ৰ স্থল আছিল উত্তৰৰ বাৰানসী আৰু দক্ষিণৰ মাদুৰাই। পুৰুষ-মহিলা উভয়েই এইবোৰ কেন্দ্ৰত কাম কৰিছিল। বহুতো বনিক আৰু শিল্পকৰ্মীয়ে 'শ্ৰেণী' নামৰ সংঘ প্ৰতিষ্ঠা কৰিছিল। এই সংঘবোৰে সততে বেংকৰ ভূমিকা পালন কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

- অসমৰ কোনখন ঠাইক প্ৰাচ্যৰ মানচেষ্টাৰ বুলি কোৱা হয়?
- মৃৎপাত্ৰ' বুলিলে কি বুজা? তোমাৰ অঞ্চলত উপলব্ধ কেইপদমান মৃৎপাত্ৰৰ নাম উল্লেখ কৰা।

তোমালোকৰ বহুতেই হয়তো মুম্বাই, চেন্নাই, কলকাতাত যে বন্দৰ আছে সেই বিষয়ে জানা। এই বন্দৰবোৰৰ পৰা বেহা-বেপাৰকে আদি কৰি বিভিন্ন কামত সাগৰেৰে যাতায়াত চলে। মৌৰ্যৰ পৰৱৰ্তী যুগতো আৰৱ সাগৰৰ পাৰত থকা **ভাৰুচ আৰু আৰিকামেডু** নামৰ দুটা বন্দৰৰ যোগেদি বেহা-বেপাৰ চলাৰ কথা আমি জানিব পাৰোঁ। এই ঠাইৰ পৰা দেশ আৰু বিদেশৰ মাজত বেহা-বেপাৰ চলিছিল।

এইদৰে মৌর্য যুগৰ পৰৱৰ্তী কালত ভাৰতবৰ্ষত যি ৰাজনৈতিক আৰু সামাজিক বিৱৰ্তনৰ সূচনা হৈছিল, সেইটোৱে ভাৰতৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আৰু সভ্যতা-সংস্কৃতি সকলোতে সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। সেয়েহে, কোনো কোনো ইতিহাসবিদে বিদেশী অভিযানসমূহক 'অনুপ্ৰৱেশ' বুলিহে ক'ব খোজে। কাৰণ, শক, কুষাণ, পাৰ্থিয়ান আৰু ইন্দো-গ্ৰীক আদি বিদেশী শক্তিবোৰে ভাৰতবৰ্ষ অধিকাৰ কৰাৰ পৰিৱৰ্তে এই দেশত স্থায়ীকৈ বসবাস কৰিবলৈহে আহিছিল আৰু নিজস্ব সাংস্কৃতিক উপাদানেৰে ভাৰতীয় ঐতিহ্যৰ লগত মিলি গৈছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

- মৌৰ্যসকলৰ পতনৰ পাছত ভাৰতবৰ্ষত ভালেমান সৰু-বৰু ৰাজ্যৰ উত্থান হৈছিল।
- শুঙ্গবংশই মগধত, সাতবাহনসকলে দক্ষিণ ভাৰতত আৰু চেদী বংশই কলিঙ্গত নিজকে প্ৰতিষ্ঠা কৰিছিল।
- ইন্দো-গ্ৰীক, শক, কুষাণ আদি বিদেশী শক্তিয়ে ভাৰতৰ উত্তৰ-পশ্চিম প্ৰান্তত ৰাজত্ব কৰিছিল।
- দেশী-বিদেশী, জাতি-জনগোষ্ঠীৰ সমন্বয়ে ভাৰতীয় সংস্কৃতিৰ ওপৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল।
- মৌৰ্যবংশৰ শেষ ৰজা বৃহদ্ৰথক হত্যা কৰি পুষ্যমিত্ৰ শুঙ্গই মগধত শুঙ্গ বংশ প্ৰতিষ্ঠা কৰিছিল।
- সাতবাহনসকলক অন্ধ্ৰ নামেৰেও জনা যায়।
- সাতবাহনসকলৰ ৰাজত্ব কালত দুই ধৰণৰ শাসন ব্যৱস্থা আছিল— এক অংশত শাসনকাৰ্য ৰজাৰ অনুগতসকলে আৰু বাকী অংশ ৰজাৰ প্ৰত্যক্ষ শাসনাধীন আছিল।
- সাতবাহনসকলৰ মাজত পিতৃ প্ৰধান সামাজিক ব্যৱস্থা চলিছিল যদিও নাৰীৰ ভূমিকাও গুৰুত্বপূৰ্ণ আছিল।
- চোল, চেৰা আৰু পাণ্ড্যসকলে দক্ষিণ ভাৰতত প্ৰায় ৪০০ বছৰ জুৰি ৰাজত্ব কৰিছিল। এই তিনিখন ৰাজ্যক একেলগে ত্ৰিৰাজ্যও বোলা হৈছিল।
- প্ৰাচীন যুগৰ দক্ষিণ ভাৰতত ৰাজপৃষ্ঠপোষকতাত যি সাহিত্যৰ সৃষ্টি হৈছিল তাকে সংগম সাহিত্য বোলে।
- বহিঃ ৰাজ্যৰ লগত থকা ভাৰতৰ সাংস্কৃতিক বিনিময়ৰ বাবে বিদেশী শক্তিবোৰ ভাৰতৰ প্ৰতি আকৰ্ষিত হৈছিল।
- গ্ৰীকসকল ভাৰতীয় ধৰ্ম আৰু দৰ্শন দুয়োটাৰ প্ৰতি আকৃষ্ট আছিল।
- ভাৰতীয় লোকসকলে গ্ৰীকসকলৰ পৰা জ্যোতিষ শাস্ত্ৰ, মুদ্ৰা আৰু শিল্পকলা সম্বন্ধে জ্ঞান লাভ কৰিছিল।
- গান্ধাৰ শিল্পকলাৰ মূল বিষয়বস্তু আছিল বৌদ্ধ ধৰ্ম।
- গান্ধাৰ শিল্পকলা গ্ৰীক, ৰোমান আৰু বৌদ্ধ ধৰ্মৰ সংমিশ্ৰণত গঢ় লৈ উঠিছিল।
- কণিষ্কৰ ৰাজত্বকালতে বৌদ্ধধৰ্ম হীনযান আৰু মহাযান নামৰ দুটা ভাগত বিভক্ত হয়।
- সমৃদ্ধিশালী গাঁওবোৰেই প্ৰাচীন ভাৰতৰ অৰ্থনীতি আৰু কলা-সংস্কৃতিৰ মূল ভেটি।
- কৃষক, পশুপালকসকলে নগৰৰ মানুহৰ বাবে আৱশ্যকীয় খাদ্যৰ যোগান ধৰিছিল।
- ব্যৱসায়-বাণিজ্যৰ বাবে সাগৰ পথ ব্যৱহাৰ কৰা হৈছিল।

## অনুশীলনী ঃ

১। **উত্তৰ দিয়া ঃ**

(ক) শুঙ্গবংশৰ পিছত উত্তৰ ভাৰতত কোন বংশৰ ৰজাই ৰাজত্ব কৰিছিল?

(খ) সাতবাহনসকলে ভাৰতৰ কোন অংশত ৰাজত্ব কৰিছিল?

(গ) কলিঙ্গ ৰাজ্যক বৰ্তমান কি নামেৰে জনা যায়?

(ঘ) 'ত্ৰিৰাজ্য' বুলিলে কোন কেইখন ৰাজ্যক বুজায়?

(ঙ) কুষাণ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা কোন আছিল?

২। **উত্তৰ লিখা ঃ**

(ক) সাতবাহনসকলৰ ৰাজত্বকালত কাৰ কাৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন হৈছিল?

(খ) কণিষ্কৰ শাসনকালত বৌদ্ধ ধৰ্ম কেইটা ভাগত ভাগ হৈছিল? নাম দুটা উল্লেখ কৰা।

(গ) সংগম সাহিত্য কেইপ্ৰকাৰৰ আৰু কি কি?

(ঘ) কুষাণ যুগৰ দুটা শিল্প-কলাৰ নাম।

(ঙ) মৌৰ্যৰ পৰৱৰ্তী যুগত জলসিঞ্চনৰ বাবে ব্যৱহৃত দুটা ব্যৱস্থাৰ নাম।

(চ) মৌৰ্যসকলৰ পৰৱৰ্তী যুগৰ গাঁৱবিলাকত কি কি বৃত্তিজীৱি লোক বাস কৰিছিল? দুটা বৃত্তিৰ নাম উল্লেখ কৰা।

৩। **'ক' অংশৰ লগত 'খ' অংশ মিলাই চোৱা—**

| | |
|---|---|
| (ক) মহামেঘ বাহন | (ক) মিনাণ্ডাৰ |
| (খ) অন্ধ্ৰৰ আন এটা নাম | (খ) গান্ধাৰ শিল্পই। |
| (গ) ইন্দো-গ্ৰীক সকলৰ বিখ্যাত ৰজা | (গ) তামিল কবি সন্মিলনৰ সাহিত্য আছিল। |
| (ঘ) কণিস্কৰ দৃষ্টি আকৰ্ষণ কৰিছিল। | (ঘ) সাতবাহন |
| (ঙ) সংগম সাহিত্য | (ঙ) কলিঙ্গ |

৪। **শুদ্ধ উত্তৰ বাছি উলিওৱা—**

(ক) সাতবাহন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল জয়দ্ৰথে/সিমুকে/বাসুদেৱে।

(খ) যবন বুলি শুঙ্গ/ইন্দো-গ্ৰীক/কান্বসকলক কোৱা হৈছিল।

(গ) গান্ধাৰ শিল্পৰ মূল বিষয়-বস্তু আছিল হিন্দুধৰ্ম/বৌদ্ধধৰ্ম/জৈনধৰ্ম।

(ঘ) গণ্ডোফৰ্ণিছ কুষাণ/পহ্লৱ/শক বংশৰ শ্ৰেষ্ঠ ৰজা আছিল।

(ঙ) জাতক হৈছে গল্প/কবিতা/উপন্যাস।

৫। **সত্য নে অসত্য বাছি উলিওৱা—**

(ক) কাতন্ত্র আছিল সাতবাহনসকলৰ দিনৰ এখন উল্লেখযোগ্য গ্ৰন্থ।

(খ) অশ্বঘোষ শক ৰাজসভাৰ এজন পণ্ডিত আছিল।

(গ) সংগম সাহিত্য সংস্কৃত ভাষাত ৰচনা কৰা হৈছিল।

(ঘ) মিনাণ্ডাৰে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল।

(ঙ) প্ৰাচীন ভাৰতলৈ ৰোমান সাম্ৰাজ্যৰ পৰা সোণ আমদানি কৰা হৈছিল।

৬। তলত দিয়া বিষয়বোৰৰ ওপৰত চমু টোকা লিখা। (৫০ টা শব্দৰ ভিতৰত)

(ক) অৰ্থনীতি, সমাজনীতি আৰু সংস্কৃতিৰ ওপৰত আলোকপাত কৰি কণিষ্কৰ ৰাজত্বকাল বৰ্ণনা কৰা।

(খ) মৌৰ্য যুগৰ পৰৱৰ্তী সময়ত সাধাৰণ মানুহৰ জীৱন ধাৰণ প্ৰণালী কেনেকুৱা আছিল বৰ্ণনা কৰা।

৭। **প্ৰকল্প ঃ (দলগত কাৰ্য)**

(ক) প্ৰাচীন ভাৰতৰ পাঁচবিধ মুদ্ৰাৰ চিত্ৰ আৰু বৰ্তমান প্ৰচলিত পাঁচবিধ মুদ্ৰা (কাগজৰ টকা আৰু ধাতুৰ মুদ্ৰা) গোটোৱা। এই দুয়োবিধ মুদ্ৰাৰ মাজত কি পাৰ্থক্য মন কৰিছা? এইবোৰৰ ছবি, আখৰ, আকৃতি আৰু গঢ়ৰ বৈশিষ্ট্যসমূহ আৰু তোমালোকৰ দৃষ্টিগোচৰ হোৱা যিকোনো তথ্য সামৰি এটি টোকা প্ৰস্তুত কৰা।

(খ) দৈনন্দিন ব্যৱহাৰ্য লোৰে নিৰ্মিত পাঁচবিধ সঁজুলিৰ নাম লিখা আৰু তাৰ ছবি অঙ্কন কৰা।

✧✧✧✧✧✧